# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। দিল্লীৰ লালকিল্লাৰ সমীপত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা বিস্ফোৰণৰ ঘটনাত কেইবাগৰাকীও লোকে প্ৰাণ হেৰুৱাক লৈ গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে।

২। দেশত বিগত দশকত যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ২১ শতাংশ হ্ৰাস পোৱা বুলি বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰিছে।

৩। বিশেষ ব্যাপক সংশোধনী প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায়ত ৩৭ কোটি প্ৰ-পত্ৰ বিতৰণ কৰা বুলি দেশৰ নিৰ্বাচন আয়োগে উল্লেখ কৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত বোট্‌ছোৱানাই আজি চিতা প্ৰকল্পৰ অধীনত ভাৰতক কেইবাটাও চিতা বাঘৰ প্ৰতীকাত্মক হস্তান্তৰ কৰিব।

*আৰু*

৫। ২০২৮ চনত লছ্‌ এঞ্জেলেছত হ'বলগীয়া অলিম্পিক ক্ৰীড়া সমাৰোহৰ আয়োজক সমিতিয়ে প্ৰতিযোগিতাৰ সম্পূৰ্ণ সূচী প্ৰকাশ কৰিছে।

ooooo

দিল্লীৰ লালকিল্লাৰ সমীপত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা বিস্ফোৰণৰ ঘটনাত কেইবাগৰাকীও লোকে প্ৰাণ হেৰুৱাক লৈ গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি এটা প্ৰস্তাৱ গ্ৰহণ কৰে। বিস্ফোৰণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ সন্মানাৰ্থে মন্ত্ৰীসভাই ২ মিনিট মৌনতা অৱলম্বন কৰে। মন্ত্ৰীসভাই প্ৰতিগৰাকী ভাৰতীয় লোকৰ কল্যাণ আৰু জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি চৰকাৰৰ অংগীকাৰ বদ্ধতা পুনৰ প্ৰকাশ কৰে।

বৈঠকৰ পাছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে মন্ত্ৰীসভাই এই হিংসাত্মক কাৰ্যৰ বলি হোৱা প্ৰতিগৰাকী লোকলৈ গভীৰ শ্ৰদ্ধা আৰু তেওঁলোকৰ পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছে। নিৰীহ লোকৰ প্ৰাণ কাঢ়ি নিয়া এই আক্ৰমণৰ ঘটনাক মন্ত্ৰীসভাই কুৎচিত আৰু কাপুৰুষালি হিচাপে আখ্যা দিয়ে। সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু প্ৰকাশভংগীৰ প্ৰতি দেশৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়েও মন্ত্ৰীসভাই পুনৰ উল্লেখ কৰাৰ বিষয়ে শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে।

ooooo

দেশত বিগত দশকত যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ২১ শতাংশ হ্ৰাস পাইছে। এই হাৰ আন্তঃৰাষ্ট্ৰীয় গড় ১২ শতাংশতকৈ প্ৰায় দুগুন। বিশ্ব স্বাস্থ্য সংস্থাই যুগুতাই উলিওৱা চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় যক্ষ্মা প্ৰতিবেদন অনুসৰি

ভাৰতত যক্ষ্মা ৰোগীৰ সংখ্যা প্ৰতি ১ লাখ জনসাধাৰণৰ ভিতৰত ২০১৫ বৰ্ষৰ ২৩৭ৰ পৰা ২০২৪ বৰ্ষত ১৮৭ লৈ হ্ৰাস পাইছে। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগীক চিনাক্ত কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন উদ্যমে ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ পৰিসৰ বৃদ্ধি কৰিছে। বিভিন্ন ঔষধৰ প্ৰতি প্ৰতিৰোধ ক্ষমতা থকা যক্ষ্মা ৰোগীৰ সংখ্যা শেহতীয়া সময়ছোৱাত চকুত লগা ধৰণে বৃদ্ধি হোৱা নাই বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। দেশত যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা ৰোগীৰ সংখ্যাও প্ৰতি ১ লাখ জনসাধাৰণৰ ভিতৰত ২০১৫ চনৰ ২৮ৰ তুলনাত বিগত বৰ্ষত ২১ লৈ হ্ৰাস পাইছে। কেন্দ্ৰীয় চৰকাৰে যক্ষ্মা মুক্ত ভাৰত অভিযান, আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু নিক্ষয় পোষন যোজনা আদিৰ লেখীয়া উদ্যমেৰে দেশক যক্ষ্মা ৰোগৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ নিৰলস প্ৰয়াস অব্যাহত ৰাখিছে।

ooooo

S.I.R. অৰ্থাৎ বিশেষ ব্যাপক সংশোধনী প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰপৰা চলিত নৱেম্বৰ মাহৰ ৪ তাৰিখলৈ ৩৭ কোটি প্ৰ-পত্ৰ ভোটদাতাৰ মাজত বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই পৰিসংখ্যা দ্বিতীয় পৰ্যায়ত সামৰি ল'বলগীয়া ৫১ কোটি ভোটদাতাৰ ৭০ শতাংশ। আয়োগে লগতে প্ৰকাশ কৰিছে যে, সৰ্বাধিক ১০ কোটি ৮০ লাখতকৈও অধিক প্ৰপত্ৰ উত্তৰ প্ৰদেশত আৰু পশ্চিম বংগত ৬.৮ কোটিৰো অধিক প্ৰপত্ৰ বিতৰণ কৰা হৈছে।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ৯ খন ৰাজ্য আৰু তিনিটা কেন্দ্ৰীয় শাসিত অঞ্চলত SIR অব্যাহত আছে আৰু এই গণনা অহা মাহৰ 4 তাৰিখলৈকে চলিব।

ooooo

বিহাৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা কাইলৈ অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা ভোটগণনা কেন্দ্ৰত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি কাইলৈ পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। ৰাজ্যখনৰ বিধানসভাত ২৪৩ খন আসন আছে আৰু একক সংখ্যাগৰিষ্ঠতা অৰ্জনৰ বাবে কোনো এটা দলে ইয়াৰে ভিতৰত ১২২ খন আসন দখল কৰিব লাগিব। যোৱা ১১ নৱেম্বৰত ৰাজ্যখনত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

ooooo

ভাৰতৰ শক্তিখণ্ডৰ ৰূপান্তৰ বিশ্বৰ ভিতৰতে অন্যতম সাহসী আৰু দ্ৰুততম প্ৰক্ৰিয়া বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীপদ য়েছু নাইকে মন্তব্য কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত সেউজ হাইড্ৰ'জেন সম্পৰ্কীয় তৃতীয় আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি নাইকে আস্থা প্ৰকাশ কৰে যে ২০৩০ চনৰ ভিতৰত ভাৰত বিশ্বৰ সেউজ হাইড্ৰ'জেনৰ চাহিদাৰ ১০ শতাংশ পূৰণত সমৰ্থ হোৱাৰ দিশে আগবাঢ়িছে। ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধন ক্ষমতা আৰু ২০৭০ চনৰ ভিতৰত নিকা শূন্য নিৰ্গমনৰ লক্ষ্যৰ দিশতো নিৰন্তৰ আগবাঢ়ি যোৱা বুলিও তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে আলোকপাত কৰে যে, সৌৰ আৰু

বায়ু শক্তিৰ নেতৃত্বত ভাৰতৰ অজীৱাশ্ম-ইন্ধনভিত্তিক বিদ্যুৎ উৎপাদন ক্ষমতা প্ৰায় ২৬০ গিগাৱাট পৰ্যন্ত বৃদ্ধি পাইছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত আজি বোট্ছোৱানাই চিতা প্ৰকল্পৰ অধীনত কেইবাটাও চিতা বাঘৰ প্ৰতীকাত্মক হস্তান্তৰ কৰিব। কালি উভয় দেশৰ মাজত হোৱা আলোচনা আৰু চুক্তি স্বাক্ষৰৰ অন্তত এই ঘোষণা কৰা হৈছিল। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু সম্প্ৰতি কেইবাটাও কাৰ্যসূচীৰে ৰাষ্ট্ৰখনত আছে আৰু চিতা প্ৰকল্প তাৰে অন্যতম। কালি বোট্ছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে শ্ৰীমতী মুৰ্মু দ্বিপাক্ষিক আলোচনাত মিলিত হৈছিল। চিতা প্ৰকল্প হৈছে বিলুপ্ত হোৱা কেইবা দশক পাছত ভাৰতলৈ পুনৰ চিতা বাঘ অনাৰ এটা অনন্য উদ্যম। ইয়াৰ অধীনত বোট্ছোৱানাই আঠটা চিতা বাঘ ভাৰতলৈ প্ৰেৰণ কৰিব।

০০০০০

২০২৮ চনত লছ্ এঞ্জেলেছত হ'বলগীয়া অলিম্পিক ক্ৰীড়া সমাৰোহৰ আয়োজক সমিতিয়ে প্ৰতিযোগিতাৰ সম্পূৰ্ণ সূচী প্ৰকাশ কৰিছে। সমগ্ৰ লছ্ এঞ্জেলেছ অঞ্চলত হ'বলগীয়া খেলসমূহৰ বিভিন্ন শিতানৰ সবিশেষ এই সূচীত প্ৰকাশ কৰা হৈছে। আয়োজক সমিতিয়ে এই সূচী অনুসৰি ক্ৰীড়া অনুৰাগীসকলক দেশখনলৈ ভ্ৰমণৰ পৰিকল্পনা কৰিবলৈ আহ্বান জনাইছে। অলিম্পিক ক্ৰীড়াৰ ইতিহাসত সৰ্ববৃহৎ ৰূপে পৰিগণিত হ'বলগীয়া ২০২৮ বৰ্ষৰ অলিম্পিক লছ্ এঞ্জেলেছ আৰু অ'কলাহোমা চহৰত অনুষ্ঠিত হ'ব। ২০২৮ বৰ্ষৰ ১৪ জুলাইত সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। সমাৰোহৰ সামৰণি অনুষ্ঠান একেটা বৰ্ষৰ ৩০ জুলাইত অনুষ্ঠিত হ'ব। অহা বছৰৰ জানুৱাৰীত এই ক্ৰীড়া সমাৰোহৰ বাবে টিকটৰ পঞ্জীয়ন আৰম্ভ হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত টেষ্ট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। শৃংখলাটোত দুয়োটা দলৰ মাজত দুখন খেল খেলোৱা হ'ব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় কৰাৰ পাছত শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটোৱে টেম্বা বাভুমা নেতৃত্বাধীন দক্ষিণ আফ্ৰিকা দলটোৰ বিৰুদ্ধেও জয়ৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়াস কৰিব। এই শৃংখলাটো বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ চলিত চিজনৰ বাবেও গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। চলিত ২০২৫-২৭ চিজনত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা ২-২ ফলাফলেৰে সমাপ্ত কৰাৰ বিপৰীতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শৃংখলা ২-০ ফলাফলত হস্তগত কৰিছিল। সাম্প্ৰতিক বিশ্ব চেম্পিয়ন দক্ষিণ আফ্ৰিকাই বিগত মাহত পাকিস্তানৰ বিৰুদ্ধে অংশ লোৱা শৃংখলাটোৰ ১-১ ফলাফলত সমাপ্ত হৈছিল। ভাৰতীয় দলটোৰ সহ প্ৰশিক্ষক ৰায়ান টেন দছেটে পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হোৱাৰ বাটত ভাৰতীয় দলটোৰ বাবে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া শৃংখলাটো অতি গুৰুত্বপূৰ্ণ হিচাপে অভিহিত কৰিছে। শৃংখলাৰ দ্বিতীয়খন খেল ২২ৰ পৰা ২৬ নৱেম্বৰলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইপিনে, ভাৰত-এ আৰু দক্ষিণ আফ্ৰিকা-এ দলৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি গুজৰাটৰ ৰাজকোটত খেলোৱা হ'ব। শৃংখলাটোৰ আটাইকেইখন খেলে নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। শৃংখলাটোত ইষাণ কিষানে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব। ইয়াৰ আগেয়ে দুয়োটা দলৰ মাজত অনুষ্ঠিত দুখন খেলৰ টেষ্ট ক্ৰিকেট শৃংখলাটো ১-১ ফলাফলেৰে সমাপ্ত হৈছিল। বেংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত

ভাৰতীয় দলে ৩ উইকেটত বিজয় অৰ্জন কৰিছিল যদিও একেখন ঠাইতে অনুষ্ঠিত দ্বিতীয়খন খেলত আলহী দলটোৱে ৫ উইকেটৰ ব্যৱধানত বিজয় সাব্যস্ত কৰিছিল।

ooooo

যোৱা ১১ নৱেম্বৰত পাকিস্তানৰ ইছলামাবাদত সংঘটিত বোমা বিস্ফোৰণৰ ভয়ংকৰ ঘটনাৰ পাছত দেশখনত থকা শ্ৰীলংকাৰ ক্ৰিকেট দলটোৰ ভালকেইগৰাকী খেলুৱৈ নিৰাপত্তাৰ খাতিৰত স্বদেশলৈ উভতি যোৱাৰ বাবে শ্ৰীলংকা ক্ৰিকেটক অনুৰোধ জনাইছে। সম্প্ৰতি তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাত ভাগ লোৱাৰ বাবে শ্ৰীলংকাৰ দলটো পাকিস্তানত আছে। অৱশ্যে শ্ৰীলংকা ক্ৰিকেটে খেলুৱৈসকলৰ অনুৰোধ লাভ কৰা বুলি উল্লেখ কৰি তেওঁলোকক পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি খেলত অংশলোৱাৰ বাবে নিৰ্দেশনা দিছে। শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাৱালপিণ্ডিত খেলোৱা হ'ব। এই ঠাইখন ১২ জন লোকে প্ৰাণ হেৰুওৱা বিস্ফোৰণটো সংঘটিত হোৱা ইছলামাবাদৰ পৰা প্ৰায় কুৰি কিলোমিটাৰ নিলগত অৱস্থিত। শ্ৰীলংকা দলটোৱে এদিনীয়া শৃংখলাৰ সমাপ্তিৰ পিছত পাকিস্তানৰ বিৰুদ্ধে অহা ১৯ নৱেম্বৰৰ পৰা এটা ত্ৰিদেশীয় টি-২০ ক্ৰিকেট শৃংখলাটো অংশ লোৱাৰ কথা আছিল। শৃংখলাটোত তৃতীয়খন দেশ হিচাপে আফগানিস্তানে অংশ লোৱাৰ কথা আছিল যদিও পাকিস্তানৰ বিৰুদ্ধে হোৱা সীমা বিবাদৰ পাছত দলটোৱে এই শৃংখলাত ভাগ ল'বলৈ অস্বীকাৰ কৰে। আফগানিস্তানৰ ঠাইত বৰ্তমান তৃতীয়টো দল হিচাপে জিম্বাবুৱেক শৃংখলাটোত অন্তৰ্ভুক্ত কৰা হৈছে।

নিৰাপত্তা সমস্যাত জৰ্জৰিত পাকিস্তানৰ লাহোৰত ২০০৯ চনত শ্ৰীলংকা ক্ৰিকেট দলক কঢ়িয়াই নিয়া এখন বাছত আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল। সেই ঘটনাত শ্ৰীলংকাৰ ৬ গৰাকী খেলুৱৈয়ে আঘাত পাইছিল। তেতিয়াৰে পৰা পাকিস্তানে ঘৰুৱা মাটিত হ'বলগীয়া খেলসমূহ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত আয়োজন কৰি আহিছিল। ২০১৯ চনত শ্ৰীলংকাই পুনৰ পাকিস্তান ভ্ৰমণ কৰাৰ সময়ত দেশখনৰ মাটিলৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ প্ৰত্যাৱৰ্তন হৈছিল।

ooooo

**সমাপ্ত**